# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। অহা বছৰৰ এপ্ৰিলৰ পৰা দেশজুৰি ২০২৭ৰ লোকপিয়ল আৰম্ভ। লোকপিয়লৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ১১ হাজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন।
২। বি টি চি সচিবালয় আক্ৰমণৰ ঘটনাৰ, মুখ্যমন্ত্ৰীৰ ন্যায়িক তদন্ত ঘোষণা।
৩। অৰুণাচলৰ আনজাওৰ পথ দুৰ্ঘটনাস্থলীৰ পৰা বৰ্তমানলৈকে ৬ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ।
৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ হাতী-মানুহৰ সংঘাত বৃদ্ধি। *আৰু*
৫। চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আজিৰ পৰা ১৫ ডিচেম্বৰলৈ চতুৰ্থ সমবায় মেলাৰ আয়োজন।

০০০০০০

অহা বছৰৰ এপ্ৰিলৰ পৰা দেশজুৰি ২০২৭ৰ লোকপিয়ল আৰম্ভ হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাই ইয়াৰ বাবে ১১ হাজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন জনাইছে। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। এয়া হ'ব দেশৰ ষোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে এই লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। দেশত প্ৰথমবাৰৰ বাবে এইবাৰ সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হ'ব বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয়, যে এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখ কৰ্মচাৰীক নিয়োজিত কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট**

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহি জনজাতীয় শিক্ষাৰ্থীয়ে বি টি চি সচিবালয় আক্ৰমণৰ ঘটনাৰ ন্যায়িক তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কালি বি টি আৰত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ হীৰেন্দ্ৰ নাথ শৰ্মাৰ দ্বাৰা সমগ্ৰ ঘটনাৰ ন্যায়িক তদন্ত কৰা হ'ব। তেওঁ এই ঘটনাক অপ্ৰীতিকৰ বুলি উল্লেখ কৰি তদন্তৰ জৰিয়তে এই ঘটনাৰ আঁৰত থকা সকলক চিনাক্ত কৰা হ'ব বুলি প্ৰকাশ কৰে।

**বাইট**

০০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত শ্ৰমিক বুদ্ধেশ্বৰ দীপ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। এই ভয়ংকৰ দুৰ্ঘটনাটোৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা বুদ্ধেশ্বৰ হৈছে একমাত্ৰ শ্ৰমিক। দুৰ্ঘটনাস্থলীৰ পৰা এতিয়ালৈকে ৬ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ

কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নিশা হাস্পতালত শ্ৰমিকগৰাকীৰ স্বাস্থ্যৰ বুজ লয়। শ্ৰী সোণোৱালে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত পৰিয়াললৈ ৭ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

**বাইট**

উল্লেখযোগ্য যে মন্ত্ৰী বিমল বৰাই কালি আনজাওৰ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ জিলা প্ৰশাসন, সেনা আৰু এন ডি আৰ এফৰ দলে চলোৱা উদ্ধাৰ অভিযান নিৰীক্ষণ কৰে। অসমৰ ৬ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত মন্ত্ৰী বৰাই  অৰুণাচলৰ লোহিত জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু তেজুৰ 25TH ITBP কামাণ্ডেণ্টৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়।

000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ হাতী-মানুহৰ সংঘাত বৃদ্ধি পাইছে। গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ৰাক্ষসিনী সংৰক্ষিত বনাঞ্চলত কালি সন্ধিয়া বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে আন এজন লোক গুৰুতৰভাৱে আহত হয়। চৰাইদেউ জিলাৰ সোণাৰীৰ থুকুবিলত কালি বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হয়। ইপিনে, জিলাখনৰ অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ পৰা ওলাই অহা আন এটা হাতীয়ে নাফুক খেৰবাৰী অঞ্চলতো জনবসতিপূৰ্ণ অঞ্চলত উপদ্ৰৱ চলায়। বনৰীয়া হাতীটোৰ আক্ৰমণত এজন লোক গুৰুতৰভাৱে আহত হয়।

হাতী-মানুহৰ সংঘাত সন্দৰ্ভত বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ত কালি বন বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত ভাগ লয়। বনৰীয়া হাতীয়ে কৃষকৰ খেতি-পথাৰ নষ্ট কৰিলে প্ৰতি বিঘাত ৮ হাজাৰ টকাকৈ ক্ষতিপূৰণ লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে কোনো লোক হাতীৰ আক্ৰমণত নিহত হ'লে তেওঁৰ পৰিয়ালে ৬ লাখ টকা সাহায্য লাভ কৰিব আৰু তাৰ বাবে কোনো পোষ্ট মৰ্টেম ৰিপৰ্ট বা গাওঁবুঢ়াৰ প্ৰমাণপত্ৰ প্ৰয়োজন নহ'ব।

জিলাখনৰ বন বিভাগৰ বাবে পৰ্যাপ্ত বাহন, অস্ত্ৰ-শস্ত্ৰকে ধৰি অন্যান্য সামগ্ৰী যোগান ধৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে হাতী-মানুহৰ সংঘাতৰ ৰোধ কৰাৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে গজমিত্ৰ নিয়োগ কৰাৰ বাবেও পৰিকল্পনা কৰা হৈছে।

000000

গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আজিৰ পৰা ১৫ ডিচেম্বৰলৈ চতুৰ্থ সমবায় মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিব। মেলাত হাতে বোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হ'ব। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোকনৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

000000

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ আই টিয়ে কালি গোচৰটো সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। এছ আই টিৰ কেইবাহাজাৰ পৃষ্ঠাজোৰা অভিযোগনামাত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্ত, সংগীত শিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ ধাৰাৰ অধীনত হত্যাৰ অভিযোগনামা দাখিল কৰা হৈছে। জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা ছিংগাপুৰ যাত্ৰাৰ সংগী, অসম আৰক্ষীৰ নিলম্বিত বিষয়া সন্দীপন গাৰ্গৰ

বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰাৰ অধীনত অনিচ্ছাকৃত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰিছে। তদুপৰি জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিশ্বাস ভংগৰ অভিযোগত অভিযোগনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্তেম্বৰত গঠিত এছ আই টিয়ে এই সময়ছোৱাত প্ৰায় ৩০০ৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰি ডিজিটেল আৰু তথ্য প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰৰ জৰিয়তে ছিংগাপুৰৰ ঘটনাস্থলীৰ ত্ৰিবিমীয় নক্সাৰ এটা ইলেকট্ৰনিক ফাইলো আদালতত দাখিল কৰিছে। এছ আই টিয়ে দাখিল কৰা ব্যাপক পৰিমাণৰ নথি পত্ৰৰ সৈতে এটা পেনড্ৰাইভত পৃথকে এই ফাইলটো আদালতত জমা দিছে বুলি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ লোক ফৰিয়াদি প্ৰদীপ কোঁৱৰে প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মহিলা চিকিৎসক সকলৰ সংস্থা **সঞ্জিৱনী**ৰ সহযোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। ক্ষন্তেক পূৰ্বে আৰম্ভ হোৱা এই স্বাস্থ্য পৰীক্ষা শিবিৰত সাংবাদিক আৰু সাংবাদিকৰ পৰিয়ালৰ দিনৰ ২ বজালৈ স্বাস্থ্য পৰীক্ষা কৰোৱাব পাৰিব। মেডিচিন, ই এন টি, চকুৰোগ, প্ৰসূতি, শিশুৰোগ, চৰ্মৰোগ, গেষ্ট্ৰ'ল'জি আদি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকল এই শিবিৰত আজি উপস্থিত থাকিব বুলি গুৱাহাটী প্ৰেছ ক্লাবৰ তৰফৰ পৰা সদৰি কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰুদ্ধে এহেজাৰ ১৬৪ গৰাকী অধিবক্তাই ভোট দিয়ে। ইয়াৰ বিপৰীতে উচ্চ ন্যায়ালয় স্থানান্তৰৰ চৰকাৰৰ সিদ্ধান্তৰ সপক্ষে মাত্ৰ ১৪৫ গৰাকী অধিবক্তাইহে ভোটদান কৰে। উত্তৰ গুৱাহাটীলৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰ কৰাৰ চৰকাৰৰ সিদ্ধান্তৰ প্ৰতিবাদ জনাই বাৰ এছ'ছিয়েচনে দীৰ্ঘদিন ধৰি প্ৰতিবাদ কৰি আহিছিল যদিও চৰকাৰে এই প্ৰতিবাদক বিশেষ গুৰুত্ব দিয়া নাছিল। আনকি উচ্চ ন্যায়ালয়ৰ নতুন চৌহদৰ আধাৰশিলা স্থাপনৰ বাবেও চৰকাৰ সাজু হৈ থকাৰ আগমুহূৰ্তত যোৱা ৮ৰ পৰা ১১ ডিচেম্বৰলৈ গোপন বেলটৰ জৰিয়তে অধিবক্তা সমাজৰ মাজত ভোটগ্ৰহণ অনুষ্ঠিত হয়। কালি বেলটসমূহ গণনা কৰাৰ হয়। ন'টাত ২৭ গৰাকীয়ে ভোটদান কৰে আৰু ১৩টা ভোট বাতিল হয়। ভোটগণনাৰ এই ফলাফলৰ উদ্ধৃতিৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'ছিয়েচনে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ জৰুৰী পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব বুলি সংগঠনটোৱে প্ৰকাশ কৰে।

০০০০০০

যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে কালি অভিযোগনামা দাখিল কৰে। এই বাতৰি আজি প্ৰকাশিত প্ৰতিখন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতৰ এই বাতৰিৰ শিৰোনাম- জুবিন হত্যাৰ বহু প্ৰতীক্ষিত চাৰ্জশ্বীট দাখিল। পূৰ্বপৰিকল্পিতভাৱে জুবিনক হত্যা শিৰোনামেৰে **দৈনিক অসম** কাকতেও বাতৰিটোক মুখ্য বাতৰিৰ স্থান দিছে।

১২ হাজাৰ ২৭০ পৃষ্ঠাৰ অভিযোগনামাত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে হত্যা সম্পৰ্কীয় ভাৰতীয় ন্যায় সংহিতাৰ ১০৩-১ নম্বৰ ধাৰা আৰোপ কৰাৰ বাতৰি **দা ছেণ্টিনেল**

**কাকতে** প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে। একেটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- ৪ অভিযুক্তক দোষী কৰি জুবিন হত্যাৰ চাৰ্জশ্বীট।

অভিযোগনামা দাখিল কৰাৰ পাছতে এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই সংবাদমেল সম্বোধন কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে এখন উতকৃষ্টমানৰ চাৰ্জশ্বীট দাখিল কৰিছোঃ মুন্না প্ৰসাদ গুপ্তা শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটো **দৈনিক জনমভূমি** কাকতেও প্ৰকাশ কৰিছে।

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত পথ দুৰ্ঘটনাত ৰাজ্যৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হয়। দুৰ্ঘটনাটোৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা একমাত্ৰ শ্ৰমিক বুদ্ধেশ্বৰ দীপৰ কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে হাস্পতালত স্বাস্থ্যৰ বুজ লয়। **দৈনিক অগ্ৰদূত কাকতে** আলোকচিত্ৰসহ এই বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো **দ্য টাইমছ অব ইণ্ডিয়া** কাকততো প্ৰকাশ হৈছে।

২০২৬ চনৰ এপ্ৰিল মাহৰ পৰা ছেপ্তেম্বৰ মাহলৈ দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশত প্ৰথমে ঘৰ আৰু ভূমিৰ তথ্য চৰকাৰে সংগ্ৰহ কৰিব। ২০২৭ বৰ্ষৰ ফেব্ৰুৱাৰীত মূল লোকপিয়ল হ্ব। এয়া **আমাৰ অসম** আৰু **দি আছাম ট্ৰিবিউন** কাকতৰ বাতৰি। এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ....।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**